# ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সোঁৱৰণী উত্তৰ পূৱভিত্তিক তৰ্ক প্ৰতিযোগিতাৰ আয়োজন

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** অসমৰ সাহিত্য জগতৰ পুৰোধা ব্যক্তি তথা ভাৰতীয় জ্ঞানপীঠ বঁটা বিজয়ী প্ৰথমগৰাকী অসমীয়া ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ বিগত বৰ্ষত অনুষ্ঠিত হৈ যোৱা জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি দিছপুৰ মহাবিদ্যালয় আৰু ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সোঁৱৰণী ন্যাসৰ সহযোগত অহা ১৭ অক্টোবৰ, ২০২৫ তাৰিখে 'ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সোঁৱৰণী' উত্তৰ-পূব আন্তঃমহাবিদ্যালয়/বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। 'সদনৰ মতে অসম চৰকাৰে গ্ৰহণ কৰা উচ্ছেদ নীতিয়েই হৈছে ৰাজ্যৰ সামাজিক-ৰাজনৈতিক সুৰক্ষা আৰু খিলঞ্জীয়া পৰিচয় ৰক্ষাৰ একমাত্ৰ উপায়' শীৰ্ষক বিষয়ত আয়োজন কৰা উত্তৰ-পূব আন্তঃমহাবিদ্যালয়/বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আয়োজক সমিতিৰ সভাপতি তথা দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই এই অনুষ্ঠানটো কেৱল শৈক্ষিক দিশতে নহয় অসমৰ সাহিত্য জগতৰ মনীষীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি হ'ব বুলি আশা কৰি সক্ৰিয় অংশগ্ৰহণ কামনা কৰে। এই পদক্ষেপৰ ক্ষেত্ৰত ড° বৰাৰ সৈতে সহযোগিতা আগবঢ়াই আছে কাৰ্যকৰী সভাপতি ড° শশী মোহন দাস আৰু অনুষ্ঠানৰ সামগ্ৰিক পৰিচালনাৰ তদাৰক কৰা সাধাৰণ সম্পাদক সুতীব্ৰ মালাকৰে। উক্ত অনুষ্ঠানত অঞ্চলটোৰ একাংশ বুদ্ধিজীৱী আৰু শিক্ষাবিদসকলৰ দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আৰু সমৰ্থন পাব বুলি আশা কৰা হৈছে। উপদেষ্টা হিচাপে অনুষ্ঠানটোৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত বি কে বি ন্যাসৰ সভাপতি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° অমৰজ্যোতি চৌধুৰী, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অধ্যাপক অৰূপজ্যোতি চৌধুৰী, দিছপুৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাস, ড° দীপাংকৰ ভট্টাচাৰ্যী আৰু প্ৰখ্যাত তাৰ্কিক তথা সমাজকৰ্মী বেদান্ত শৰ্মা। অনুষ্ঠানটোত বৌদ্ধিক উৎকৰ্ষ সাধনৰ উপৰি অংশগ্ৰহণকাৰীক উৎসাহিত কৰিবলৈ আকৰ্ষণীয় নগদ পুৰস্কাৰো আগবঢ়োৱা হ'ব। শ্ৰেষ্ঠ দলটোক ৩০ হেজাৰ টকা প্ৰদান কৰা হ'ব। দ্বিতীয় শ্ৰেষ্ঠ দলে লাভ কৰিব ২০ হেজাৰ টকা। তদুপৰি শ্ৰেষ্ঠ তাৰ্কিকে লাভ কৰিব ১৫ হেজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিকে ১০ হেজাৰ আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকে ৭ হেজাৰ টকা। লগতে সকলো বিজয়ীয়ে ট্ৰফী আৰু প্ৰমাণপত্ৰও লাভ কৰিব। এই অনুষ্ঠানতে ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জীৱন, কৰ্ম আৰু ৰচনাৰাজিৰ বিষয়ে মৌলিক লেখাসমৃদ্ধ এখন স্মৃতিগ্ৰন্থও প্ৰকাশ কৰা হ'ব। তথ্য আৰু সোধা-পোছাৰ বাবে অংশগ্ৰহণকাৰীসকলে ৯৯৫৭৯০৩৯১৩ নম্বৰত যোগাযোগ কৰিব পাৰে বা bkbdebateorganisingcommittee@gmail.com লৈ তেওঁলোকৰ প্ৰশ্ন মেইল কৰিব পাৰে। প্ৰতিযোগিতা সম্পৰ্কীয় নিয়মীয়া আপডেটৰ বাবে সংশ্লিষ্ট সকলোৱে মহাবিদ্যালয়ৰ অফিচিয়েল ৱেবছাইট https://dispurcollege.ac.in তো চাব পাৰে বুলি জনোৱা হৈছে।